# অসম আদিত্য

২১ ফাগুন, ১৯৪৫ শক ■ মঙলবাৰ, ৫ মাৰ্চ, ২০২৪ ■ Asom Aditya, Dibrugarh, Tuesday, March 5, 2024


## কানৈ মহাবিদ্যালয়ত এৰ'বিক্সৰ কৰ্মশালাৰ সামৰণি



**সঞ্জীৱ কুমাৰ বৰদলৈ, ডিব্ৰুগড়, ৪ মাৰ্চ ঃ** শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উদ্যোগত আৰু বিশ্ববিদ্যালয়ৰ বিকশিত ভাৰত ২০৪৭ কোষৰ উদ্যোগত যোৱা ৩ৰ পৰা ৪ মাৰ্চত অনুষ্ঠিত 'এৰ'বিক্সৰ কৰ্মশালা'ৰ আজি সমাপ্তি ঘটে। এই কৰ্মশালাৰ উদ্বোধন কাৰ্যসূচী কালি ক্ৰীড়া বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক তথা School of Humen Kinetics and Healthৰ ডীন ড° যোগিস্বৰ গোস্বামী তথা মুখ্য প্ৰশিক্ষক লক্ষ্মীবাই নেশ্যনেল ইনষ্টিটিউট অৱ ফিজিকেল এডুকেশ্যনৰ অৱসৰপ্ৰাপ্ত প্ৰফেছাৰ তথা Head ড° মনিকা দেৱনাথ, ক্ৰীড়া বিশ্ববিদ্যালয়ৰ ফেকাল্টিত্ৰয়— ড° ৰসন লিম্বু, মনদ্বীপ চেতিয়া, ড° মৃদুস্মিতা ফুকন, বিশ্ববিদ্যালয়ৰ ICT Project assistant প্ৰিয়াংশু বৰুৱা তথা অংশগ্ৰহণকাৰী শিক্ষাৰ্থীসকলৰ উপস্থিতিত সুচাৰুৰূপে অনুষ্ঠিত হৈ যায়। এই দুদিনীয়া workshopৰ Session সমূহ ডিব্ৰুগড়ৰ DHSK মহাবিদ্যালয়ত অৱস্থিত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ Study Centre আয়োজন কৰা হৈছিল। এই কৰ্মশালাত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ Bachelor of Physical Education (Hons./ Hons. with Research) পাঠ্যক্ৰমৰ দ্বিতীয় ছেমিষ্টাৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বি পি এডৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতামূলক পৃথিৱীত, শৰীৰ সুস্থ কৰি ৰখাৰ এটা নিখুঁত শাৰীৰিক কাৰ্যকলাপ বা সহজ পদ্ধতি হৈছে— এৰ'বিক্স (Aerobics) এক ব্যায়াম যি ছন্দময় খোজবোৰৰ সৈতে সুন্দৰ নৃত্যৰ লয়লাস একত্ৰিত কৰে। আজি অনুষ্ঠিত সামৰণী সভাত ভাষণ প্ৰসংগত ড° যোগিস্বৰ গোস্বামীয়ে শিক্ষাৰ্থীসকলক দৈনন্দিন একঘেমিয়া কাৰ্যসূচীৰ পৰা আঁতৰাই আনি মনোৰঞ্জনৰ দ্বাৰা শৰীৰ, মন সুস্থ কৰি ৰখাৰ মানসেৰে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ে বিভিন্নধৰণৰ গঠনমূলক কাৰ্যসূচী অদূৰ ভৱিষ্যতে অনুষ্ঠিত কৰি যোৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ লগতে উপস্থিত সকলোকে ধন্যবাদ জনাই অনুষ্ঠানটোৰ সফল সমাপ্তি ঘটায়।

## এছ আৰ এইচৰ অধিনায়কত্বৰ দায়িত্বত কামিন্স

**হায়দৰাবাদ, ৪ ফেব্ৰুৱাৰী ঃ** এদিন পূৰ্বে কিৱি তাৰকা জেমছ ফ্ৰেংকলিনক ছানৰাইজাৰ্ছ হায়দৰাবাদে আগন্তুক আইপিএল সংস্কৰণৰ নতুন বলিং প্ৰশিক্ষক হিচাপে নিযুক্ত দিয়াৰ পিছত এই বাৰ সলনি কৰিলে দলৰ অধিনায়ক। প্ৰত্যাশিতভাৱে হায়দৰাবাদ অধিনায়কত্বৰ দায়িত্ব লাভ কৰিলে অষ্ট্ৰেলিয়াৰ বিশ্বজয়ী অধিনায়ক পেট কামিন্সে। আজি ছ'চিয়েল মিডিয়া যোগেদি এই কথা নিশ্চিত কৰে ফ্ৰেঞ্চাইজিটোৱে। এতিয়া দক্ষিণ আফ্ৰিকাৰ এইডেন মাক্ৰামৰ ঠাইত দলৰ অধিনায়কত্বৰ দায়িত্ব গ্ৰহণ কৰিব কামিন্সে। বিগত সময়ছোৱাত আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত অধিনায়ক হিচাপে অসাধাৰণ কৃতিত্বৰ বাবেই পুৰস্কৃত হৈছে পেট কামিন্স। কিয়নো কামিন্সৰ অধিনায়কত্বত বিগত বৰ্ষত অষ্ট্ৰেলিয়াই ২টাকৈ আইচিচি খিতাপ দখল কৰিছিল। নৱেম্বৰ মাহত ভাৰতক পৰাস্ত কৰি দলটোৱে এদিনীয়া বিশ্বকাপৰ খিতাপ লাভ কৰাৰ বিপৰীতে জুনত ভাৰতকে পৰাস্ত কৰি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ট্ৰফীও দখল কৰিছিল। ইফালে, বিগত সংস্কৰণত এইডেনৰ অধিনায়কত্বত ছানৰাইজাৰ্ছ হায়দৰাবাদ আই পিএলত অৱতীৰ্ণ হৈছিল যদিও নিৰাশ কৰিছিল অনুৰাগীক।

শইকীয়াই ১৯ ৰানত তিনিটা আৰু ৰাজৰণ গগৈয়ে ২১ ৰানত দুটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ১৩২ ৰানৰ লক্ষ্য আগত লৈ বেটিং কৰিবলৈ আহি মৰিয়নি ছুপাৰ কিংছে শূন্য ৰানতে প্ৰথমটো উইকেট হেৰুৱায়। আনজন অপেনাৰ তথা এম পি এলৰ সৰ্বাধিক ৰান

## আৰইচি পূব মণ্ডল

## অসমৰ বক্সা...

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৪ মাৰ্চ ঃ** ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ আৰু ভাৰতীয় বক্সিং ফেডাৰেশ্যনৰ সহযোগত অসম বক্সিং সন্থাই আয়োজন কৰা আৰইচি পূব মণ্ডল মুকলি প্ৰতিভা সন্ধানী বক্সিং প্ৰতিযোগিতাত অসমৰ নৱাগত খেলুৱৈসকলে প্ৰত্যাশিত আৰম্ভণি কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। গুৱাহাটীৰ আৰজি বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণ ৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত চলি থকা প্ৰতিযোগিতাখনৰ আজি দ্বিতীয় দিনাও ল'ৰা আৰু ছোৱালীৰ ছাব-জুনিয়ৰ তথা জুনিয়ৰ শাখাৰ খেল অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ ছাব-জুনিয়ৰ ল'ৰাৰ ৩৭-৪০ কিল'গ্ৰাম শাখাত অসমৰ কুনাল বড়োৱে ৰাজ্যৰে জ্যোতিষ্মান সোনোৱালক, ডিউকজ্যোতি দাসে মণিপুৰৰ পেবাম জয়হেনবাক আৰু পৰমবীৰ চাক্ৰাই ৰাজস্থানৰ উৎকৰ্ষক পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। কিন্তু এই ওজন শাখাত খেলা অসমৰ প্ৰাচুয্য বৰুৱা উত্তৰ প্ৰদেশৰ আয়ুষ বাৰ্মাৰ বিৰুদ্ধে পৰাস্ত হয়। ইফালে, ৪৯-৫২ কিল'গ্ৰাম শাখাত খেলা

## নগাঁও তৃতীয় ডি...

## সূৰ্যোদয়ক হৰু...

## ডিব্ৰুগড়ত জিলা ক্ৰিকেট দলৰ বাছনি...

পেলা... কলিত... শ্বাহৰ... আৰু... আজি... কলিত...

১১ স...



নিয়োগেৰে নিৰ্মা...

ত ১০০ ...

কেন্দ্ৰীয় ম...

...কিৎসালয়ৰো আধাৰশিল...

